জনসংযোগ, অসম প্ৰেছ বাৰ্তা নং ঃ ৩০৬

# ‘নীলপৱন বৰুৱাক বিচাৰি’ তথ্যচিত্ৰলৈ বিশেষ সন্মান

**দিছপুৰ, ৭ ডিচেম্বৰ ঃ** ড° ভূপেন হাজৰিকা ৰিজিঅ’নৈল গভৰ্ণমেণ্ট ফিল্ম এণ্ড টেলিভিশ্বন ইনষ্টিটিউটৰ দ্বাৰা প্ৰযোজনা কৰা ‘নীলপৱন বৰুৱাক বিচাৰি’ নামৰ তথ্যচিত্ৰখন ২৮ তম কলকাতা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা ‘ভাৰতীয় তথ্যচিত্ৰ প্ৰতিযোগিতা’ শিতানত নিৰ্বাচিত হৈছে। অহা ১৫ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ কলকাতাৰ নন্দন প্ৰেক্ষাগৃহত হ’বলগীয়া মহোৎসৱত উক্ত তথ্যচিত্ৰখন প্ৰদৰ্শন কৰা হ’ব। অসম তথা ভাৰতৰ আধুনিক চিত্ৰশিল্পৰ বাটকটীয়া বিশিষ্ট চিত্ৰশিল্পী সদ্যপ্ৰয়াত নীলপৱন বৰুৱাৰ চিত্ৰশিল্পৰ আধাৰত তথ্যচিত্ৰখন নিৰ্মাণ কৰা হৈছিল। ৫২ মিনিট দৈৰ্ঘ্যৰ তথ্যচিত্ৰখন পৰিচালনা কৰিছে ইনষ্টিটিউটৰ ষষ্ঠ যান্মাসিকৰ চলচ্চিত্ৰ সম্পাদনা বিভাগৰ ছাত্ৰ কেশৰজ্যোতি দাসে। তথ্যচিত্ৰখনৰ দৃশ্যগ্ৰহণ সম্পাদনা, শব্দ-সংযোজন আৰু অন্যান্য কাৰিকৰী আটাইবোৰ কামেই চলচ্চিত্ৰ প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সম্পন্ন কৰা হৈছিল।

**শি.শ/প্ৰ.কু.দ/০৭-১২-২০২২**